# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 12-11-2024
**Time :** 21-25 Hrs

# Assamese Night Bulletin
*::::::: ::::::: :::::::: ::::::::*

কেন্দ্ৰীয় জলশক্তি মন্ত্ৰী চি আৰ পাটিলৰ অধ্যক্ষতাত আজি গুৱাহাটীত উত্তৰ পূৰ্বাঞ্চলত স্বচ্ছ ভাৰত গ্ৰামীণৰ এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত উত্তৰ পূৰ্বাঞ্চলে এই অভিযানৰ দ্বিতীয় পৰ্যায়ত পৰিচ্ছন্নতা ক্ষেত্ৰত প্ৰত্যাহ্বান গ্ৰহণ কৰি লাভ কৰা সফলতাৰ বিষয়ে উল্লেখ কৰা হয়। বৈঠকত লগতে উত্তৰ-পূৰ্বৰ ৫১ শতাংশ ৰাজ্যই মুকলিত মলত্যাগমুক্ত আৰু আৱৰ্জনামুক্ত ৰাজ্য হিচাপে পৰিগণিত হৈছে বুলি উল্লেখ কৰা হয়। ইয়াৰ ভিতৰত চিকিমে এশ শতাংশ, মিজোৰামে ৮৬ শতাংশ, ত্ৰিপুৰাই ৮০ শতাংশ আৰু অসমে ৭৬ শতাংশ সফলতা লাভ কৰিছে। কেন্দ্ৰীয় মন্ত্ৰী শ্ৰীপাটিলে উত্তৰ পূৰ্বৰ ৰাজ্যসমূহৰ এই সাফল্যক প্ৰশংসা কৰি কয় যে, এই ৰাজ্যসমূহে বিশেষ প্ৰত্যাহ্বানসমূহ নেওচি অনাময় ক্ষেত্ৰত একেৰাহে নিদৰ্শনমূলক কাম কৰাৰ উপৰি উদ্ভাৱনৰ স্বাক্ষৰ বহন কৰিছে। সমন্বিত প্ৰচেষ্টাৰ দ্বাৰা ২০২৫ চনৰ মাৰ্চৰ পূৰ্বে ভাৰতে সম্পূৰ্ণ পৰিচ্ছন্নতাৰ লক্ষ্যত উপনীত হব বুলিও মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে. ইয়াৰ আগেয়ে তেওঁ আজি গুৱাহাটীত ব্ৰহ্মপুত্ৰ বোৰ্ডে আয়োজন কৰা পানীৰ উৎসৰ ব্যৱস্থাপনা সম্পৰ্কীয় দুদিনীয়া কৰ্মশালা মুকলি কৰে। কৰ্মশালাখন মুকলি কৰি দিয়া ভাষণত শ্ৰী পাটিলে কয়, যে ভাৰতৰ অৰ্থনীতি জলসম্পদৰ ওপৰত নিৰ্ভৰশীল আৰু জলাশয়সমূহক পুনৰুজ্জীৱিত কৰি তোলা অতি প্ৰয়োজন। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাত বান নিয়ন্ত্ৰণ আৰু নদী ব্যৱস্থাপনা সম্পৰ্কত নীতি আৰু কৌশলসমূহ উন্নত কৰি তোলা বিষয়ক লৈ আলোচনা কৰে।

০০০

গুৱাহাটীৰ ভাৰতীয় প্ৰযুক্তি প্ৰতিষ্ঠানত অহা ৩০ নৱেম্বৰৰ পৰা ৩ ডিচেম্বৰলৈ হ'বলগীয়া ভাৰত আন্তৰ্জাতিক বিজ্ঞান মহোৎসৱৰ দশম সংস্কৰণৰ কাৰ্যসূচী আজি মুকলি কৰা হয়। কেন্দ্ৰীয় চৰকাৰৰ বিজ্ঞান আৰু ঔদ্যোগিক গৱেষণা পৰিষদে অসম চৰকাৰৰ সহযোগত আয়োজন কৰা এই মহোৎসৱে তৃণমূল পৰ্যায়ৰ পৰা উচ্চ পৰ্যায়লৈ বিজ্ঞান আৰু প্ৰযুক্তিৰ উদ্ভাৱন সম্পৰ্কত ২৪ টা বিষয়ক সামৰি লব। আজি বিজ্ঞান আৰু ঔদ্যোগিক গৱেষণা পৰিষদৰ সঞ্চালক ড° চি আনন্দ ৰামাকৃষ্ণণে এই মহোৎসৱৰ সম্পূৰ্ণ কাৰ্যসূচী সম্পৰ্কে দৃশ্য-শ্ৰব্য মাধ্যমৰ দ্বাৰা অৱগত কৰে।

০০০

সমগ্ৰ দেশত আজি ৰাজহুৱা সেৱা সম্প্ৰচাৰ দিৱস পালন কৰা হৈছে। মহাত্মা গান্ধীয়ে ১৯৪৭ চনত প্ৰথম আৰু শেষবাৰৰ বাবে আকাশবাণীৰ ষ্টুডিঅ'ত পদাৰ্পণ কৰাৰ সৈতে সংগতি ৰাখি প্ৰতিবছৰে এই দিৱস

পালন কৰা হয়। জাতিৰ পিতা মহাত্মা গান্ধীয়ে আকাশবাণীৰ জৰিয়তে দেশ বিভাজনৰ পাছত হাৰিয়ানাৰ কুৰুক্ষেত্ৰত অস্থায়ীভাৱে বসতি স্থাপন কৰা শৰণাৰ্থীসকলক উদ্দেশি এই অনাতাঁৰ ভাষণ দিছিল।

এই উপলক্ষে আজি আকাশবাণী দিল্লী কেন্দ্ৰৰ চৌহদত এটা বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়।

দিৱসৰ সৈতে সংগতি ৰাখি আজি আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে আকাশবাণীৰ অংশকালীন সংবাদদাতা আৰু সংবাদকৰ্মীসকলৰ সৈতে ভাৰ্চুৱেল ব্যৱস্থাৰে এখন বৈঠক অনুষ্ঠিত কৰে। বৈঠকত তেওঁ ৰাজহুৱা প্ৰচাৰণ সেৱা হিচাপে আকাশবাণীৰ ভূমিকা আজিও আছে বুলি মন্তব্য কৰে আৰু আকাশবাণীৰ সংবাদদাতাসকলক জনসাধাৰণৰ সমস্যাৱলী সম্যকৰূপত উপস্থাপন কৰিবলৈ পৰামৰ্শ দিয়ে।

000

উত্তৰ-পূৱ সীমান্ত ৰেলৱেৰ অধীনৰ লামদিং সংমণ্ডলৰ দিহাকো-মুপা অংশত মেৰামতিৰ কাম চলি থকাৰ বাবে কেইখনমান নৈশ ৰেলৰ যাত্ৰাৰ সময় সালসলনি নাইবা চলাচল সাময়িকভাৱে বাতিল কৰা হৈছে। এই অনুসৰি কাইলৈ যাত্ৰা কৰিবলগীয়া **গুৱাহাটীৰ পৰা দুৰ্লভচেৰা** অভিমুখী আৰু **গুৱাহাটী - বদৰপুৰ-গুৱাহাটী** সংযোগী ৰেলৰ যাত্ৰা বাতিল কৰা হৈছে। একেদৰে পৰহিলৈ যাত্ৰা কৰিবলগীয়া **দুৰ্লভচেৰাৰ পৰা গুৱাহাটী** অভিমুখী আৰু **গুৱাহাটীৰ পৰা নিউ জলপাইগুৰি** অভিমুখী ৰেল দুখনৰ চলাচল বাতিল কৰা হৈছে। ১৫ নৱেম্বৰত নিউ **জলপাইগুৰিৰ পৰা গুৱাহাটী** অভিমুখে আহিবলগীয়া ৰেলখনৰ যাত্ৰাও বাতিল কৰা হৈছে। ইপিনে, আজি সন্ধিয়া ৭ বাজি ৫০ মিনিটত **শিলচৰৰ পৰা কৈম্বাটুৰ** অভিমুখে যাত্ৰা কৰিবলগীয়া ৰেলখনৰ যাত্ৰাৰ সময় নিশা ১০ বজালৈ সলনি কৰা হৈছে।

000

গোলাঘাট, যোৰহাট আৰু তিনিচুকীয়াত আজি সংশ্লিষ্ট জিলা উন্নয়ন সমিতিৰ পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। বৈঠককেইখনত সংশ্লিষ্ট জিলাকেইখনত চলি থকা প্ৰতিটো বিভাগৰ উন্নয়নমূলক কামৰ খতিয়ান লোৱা হয়। গোলাঘাটত অনুষ্ঠিত বৈঠকত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, খাদ্য আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী ৰণজিত কুমাৰ দাস আৰু বিধায়ক বিশ্বজিৎ ফুকনেও অংশগ্ৰহণ কৰে।

যোৰহাটত অনুষ্ঠিত বৈঠকত জিলাখনত হ'বলগীয়া খেল মহাৰণৰ দ্বিতীয় পৰ্যায়ৰ আয়োজন সম্পৰ্কে আলোচনা কৰা হয়।

000

চৰাইদেউ জিলাৰ সোণাৰী আৰক্ষীয়ে আজি আলফা স্বাধীনৰ সৈতে যোগাযোগ ৰক্ষাকাৰীৰ সন্দেহত দুজন যুৱক আটক কৰে। আলফা স্বাধীনৰ নেতা গণেশ অসমৰ সৈতে সঘন যোগাযোগ ৰক্ষা কৰা সন্দৰ্ভত আৰক্ষীয়ে লাভ কৰা তথ্যৰ ভিত্তিত এই যুৱক দুজনক আটক কৰা হৈছে বুলি আৰক্ষী সূত্ৰই জনাইছে। ধৃত যুৱক দুজনৰ এজন চৰাইদেউৰ বেলেংবাৰীৰ ৰাজু দে' আৰু আনজন টেঙাপুখুৰীৰ মহনগাঁৱৰ হেমন্ত মহন বুলি আৰক্ষীয়ে চিনাক্ত কৰিছে।

000

কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ উদ্যোগত আৰু অসম বিশ্ববিদ্যালয়ৰ কাৰ্বি অধ্যয়ন কেন্দ্ৰৰ সহযোগত ডিফুৰ আৰ্বৰিটাম এণ্ড ক্ৰাফ্‌ট চেণ্টাৰত ষষ্ঠ অনুসূচী শীৰ্ষক ৰাষ্ট্ৰীয় আলোচনা চক্ৰ অনুষ্ঠিত হৈছে। কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ কলা আৰু সাংস্কৃতিক বিভাগৰ কাৰ্যবাহী সদস্যৰ সভাপতিত্বত আজি আয়োজিত উদ্বোধনী অনুষ্ঠানত লাডাখৰ বিশিষ্ট পৰিৱেশ তথা জলবায়ু কৰ্মী ছুনাম ৱাংচুকে অংশগ্ৰহণ কৰে। শ্ৰী ৱাংচুকে কাৰ্বি আংলং আৰু ডিমা হাচাও জিলাৰ জনজাতীয় লোকসকলৰ বাবে ষষ্ঠ অনুসূচীৰ প্ৰয়োজনীয়তা সন্দৰ্ভত বক্তব্য আগবঢ়ায়। ভাষণ প্ৰসংগত তেওঁ লাডাখত ষষ্ঠ অনুসূচীৰ অন্তৰ্গত স্বায়ত্তশাসিত পৰিষদ গঠনৰ বাবে অহিংস আন্দোলন কৰাৰ কথাও উল্লেখ কৰে।

০০০

**ঃঃ সমাপ্ত ঃঃ**